# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৬ মাৰ্চত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**বছৰৰ ২৩ মাৰ্চৰ দিনটো জমাত আহমদীয়াত এই কাৰণেই মনত পেলোৱা হয় যে উক্ত দিনটোতেই জমাত আহমদীয়াৰ ভিত্তি প্ৰস্তৰ স্থাপিত হৈছিল। প্ৰত্যেক বছৰ এই দিনটোৱে আমাক মনত পেলাই দিওঁতা হ'ব লাগে যে হজৰত মছীহ মাওউদ (আঃ)ৰ আগমনৰ উদ্দেশ্য হ'ল ধৰ্মক সঞ্জীৱিত কৰা, আৰু ইছলামৰ প্ৰকৃত শিক্ষা জগতত বিস্তাৰ কৰা**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে ছুৰাতুল জুমাৰ নিম্নোক্ত আয়াত তিলাওত কৰি অনুবাদ পঢ়ি শুনায়,

هُوَ الَّذِيْ بَعَثَ فِي الْاُمِّيّٖنَ رَسُوْلًا مِّنْهُمْ يَتْلُوْا عَلَيْهِمْ اٰيٰتِهٖ وَيُزَكِّيْهِمْ وَيُعَلِّمُهُمُ الْكِتٰبَ وَالْحِكْمَةَ ۗ وَاِنْ كَانُوْا مِنْ قَبْلُ لَفِيْ ضَلٰلٍ مُّبِيْنٍ

অৰ্থাৎ সেইজনাই হৈছে তেওঁ যিজনাই অশিক্ষিত জাতিটোৰ মাজত এজন তেওঁলোকৰ মাজৰ পৰা পয়গম্বৰ বনাইছে,যিজনে তেওঁলোকলৈ আল্লাহৰ বাক্যবোৰ আবৃত্তি কৰে,আৰু তেওঁলোকক পৱিত্ৰ বনায় আৰু সিহঁতক গ্ৰন্থখন (পঢ়ায়) আৰু ইয়াৰ জ্ঞান শিকায়,যদিও সিহঁতে আগত স্পষ্ট ভাৱে ভ্ৰান্ত পথত আছিল।

আৰু তেওঁক সেইজনাই সিহঁতৰে আন কিছুমানৰ মাজত উঠাব যি বৰ্তমান তেওঁলোকৰ লগত যোগ দিয়া নাই। সেইজনাই হৈছে শক্তিশালী জ্ঞানী।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে দুই তিনি দিন আগত ২৩ মাৰ্চত দিনটো পাৰ হৈ গ'ল যি দিনটোত জমাত আহমদীয়াৰ ভিত্তি স্থাপন হৈছিল। গতিকে প্ৰত্যেক বছৰৰ এই দিনটোৱে আমাক মনত পেলাই দিওঁতা হোৱা উচিত যে হজৰত মছীহ মাওউদ (আঃ)ৰ আগমনৰ উদ্দেশ্য কোৰ-আন কৰিমৰ ভৱিষ্যদ্বাণী আৰু আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী ধৰ্মক সঞ্জীৱিত কৰা,আৰু ইছলামৰ প্ৰকৃত শিক্ষা আকৌ জগত ব্যাপি বিস্তাৰ কৰা। আমি যিসকলে তেখেত (আঃ)ৰ বয়াতৰ অন্তৰ্ভুক্ত হোৱা বুলি দাবী কৰো সেই সকলে এই গুৰুত্বপূৰ্ণ কাম সম্পাদনাৰ্থে নিজৰ নিজৰ ক্ষমতা অনুযায়ী অংশীদাৰ হ'ব লাগিব। পতন উন্মুখ মানৱতাবাদক খোদা তা'লাৰ সৈতে সম্পৰ্ক গঢ়াই দিবলৈ আৰু মানৱক বেলেগৰ অধিকাৰ প্ৰদান কৰাৰ ফালে মনোযোগ আকৰ্ষণ কৰাব লাগিব আৰু

এয়া স্পষ্ট কথা যে এই কামৰ বাবে সৰ্বপ্ৰথমে আমি নিজকে সংশোধন কৰি ল'ব লাগিব। হুজুৰ (আইঃ)য়ে কয় যে ইয়াতে মই হজৰত মছীহ মাওউদ (আঃ)ৰ কিছুমান মন্তব্য উল্লেখ কৰিম,যিবিলাকত তেখেত (আঃ)ৰ আগমনৰ প্ৰয়োজন,উদ্দেশ্য আৰু সত্যতাৰ ভৱিষ্যদ্বাণী প্ৰমাণ পোৱা যায়। জমাতত চাহাবা সকলৰ দৰে পাক পৰিৱৰ্তনৰ জন্ম হোৱা আৰু যিবোৰ দুঃখ কষ্টৰ মাজেৰে চাহাবা সকলে দিনাতি কৰিছিল,সেইবোৰ বৰ্ণিত আছে। আমি সদায় এইবিলাক কথা দৃশ্যপটত ৰখা উচিত যাতে আমি সকলোৱে সমূহীয়া ভাৱে জমাতৰ উন্নতি কৰোঁতা হওঁ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যি আয়াত মই আগতে তিলাওত কৰিছোঁ,তাৰ ভাৱ ব্যাখ্যা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এই আয়াতৰ মূল ভাৱ হ'ল এয়া যে খোদা সেইজনা খোদা, যিয়ে এনেকুৱা এটা সময়ত তাৰ ৰছুল প্ৰেৰণ কৰিছিল যে মানুহে বিদ্যা বুদ্ধিৰ ক্ষেত্ৰত সম্পূৰ্ণ ক'লা হৈ পৰিছিল। সেইজন ৰছুলে সিহঁতৰ আত্মাক পৱিত্ৰ আৰু জ্ঞান সমৃদ্ধ কিতাপ আৰু প্ৰজ্ঞাৰে বিজ্ঞ কৰি তুলিছিল। আকৌ কৈছে এটা সম্প্ৰদায় আছে যি শেষ যুগত বিকশিত হ'ব,তেওঁলোকেও প্ৰথম অৱস্থাত এন্ধাৰ আৰু পথভ্ৰষ্টতাত অভিভূত থাকিব আৰু বিদ্যা,বুদ্ধি,প্ৰজ্ঞা আৰু আত্মবিশ্বাসৰ পৰা আঁতৰত থাকিব।তেতিয়া খোদা তা'লা সিহঁতকও চাহাবা সকলৰ ৰঙেৰে ৰঙীন কৰিব অৰ্থাৎ তেওঁলোকৰ সততা আৰু বিশ্বাস চাহাবা সকলৰ সততা আৰু বিশ্বাসৰ দৰে হৈ যাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে চাহাবা সকলৰ দৰে বিশ্বাস,আমাৰ মাজত হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াতৰ অন্তৰ্ভুক্ত হৈ অৰ্জন হোৱা উচিত,যেনেকৈ চাহাবা সকলে খোদা তা'লা,আঁ-হজৰত (ছাঃ) ইছলাম আৰু তেখেত (ছাঃ)ৰ সত্যতাৰ ওপৰত বিশ্বাস ৰাখিছিল। বৰ্তমান মই খোতবা সমূহত চাহাবা সকলৰ অৱস্থা সম্পৰ্কে বৰ্ণনা কৰি আছো। গতিকে উদাহৰণ আমাৰ দৃষ্টিৰ আগত ভাহি আছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ছহী হাদীছত উল্লেখ আছে যে আঁ-হজৰত (ছাঃ)য়ে এই আয়াতৰ ব্যাখ্যা কৰোঁতে ছলমান ফাৰ্ছিৰ কান্ধত হাত ৰাখি কৈছিল যে যদি ঈমান তাৰকা মণ্ডললৈও উঠি যায় তথাপি ফাৰ্ছি বংশোদ্ভৱ লোক এজনে সেয়া ওভতাই আনিব। শেষ যুগ সম্পৰ্কে লিখা আছে যে কোৰ-আন আচমানৰ ওপৰত উঠাই লোৱা হ'ব,এয়াই সেই যুগ,যিটো মছীহ মাওউদ (আঃ)ৰ যুগ। ক্ৰুছীয় আক্ৰমণ যাক বেলেগ শব্দত দাজ্জালি আক্ৰমণ বুলি কোৱা হয়, যাৰ চিহ্ন স্বৰূপে থাকিব যে বহুতো নিৰ্বোধে এক ঈশ্বৰ (এক খোদাক) এৰি দিব আৰু বহু লোকৰ ঈমানক স্থাপন কৰাটো হ'ব ডাঙৰ আৰু গুৰুত্বপূৰ্ণ কাম। গতিকে তাৰেই জমাতৰ সম্পৰ্কে হ'ল এই আয়াত,

وَّاٰخَرِيْنَ مِنْهُمْ لَمَّا يَلْحَقُوْا بِهِمْ ؕ

উক্ত আয়াতৰ বিস্তৃত অৰ্থ হ'ল এয়া যে ঘোৰ এন্ধাৰে ছানি ধৰাৰ অৰ্থাৎ (অজ্ঞতাৰ) পিছত হিদায়ত আৰু প্ৰজ্ঞা প্ৰাপ্ত হ'ব দুটা সম্প্ৰদায়,তাৰে এটা হ'ল আঁ-হজৰত (ছাঃ)ৰ চাহাবা সকল,আনটো সম্প্ৰদায় হ'ল হজৰত মছীহ মাওউদ (আঃ)ক মান্যকাৰী সম্প্ৰদায় (দল)। কাৰণ এই দলটোৱেও প্ৰথম যুগৰ চাহাবা সকলৰ দৰে আঁ-হজৰত (ছাঃ)ৰ মজিজাসমূহ (অলৌকিক নিদৰ্শন)দেখিবলৈ পাব। কৈছে যে আজি ১৩ শ বছৰ পিছত আকৌ আঁ-হজৰত (ছাঃ)ৰ মুজিজাৰ (অলৌকিক নিদৰ্শন) দুৱাৰ মুকলি হৈছে আৰু মানুহে আপোন দৃষ্টিৰে একে ৰমজান মাহতে চন্দ্ৰ গ্ৰহণ আৰু সূৰ্য গ্ৰহণ দেখিবলৈ পাইছে। আকৌ ধুমকেতু পপীয়া তৰা হেজাৰ হেজাৰ লোকে অৱলোকন কৰিছে। এনেদৰে জাওৱাৰ অগ্নি,প্লেগ, হজলৈ যোৱাৰ বাধা,দেশত ৰেল চলাচল,উট বেকাৰ হৈ যোৱা,এই সকলোবোৰ আঁ-হজৰত (ছাঃ)ৰ মজিজা (অলৌকিক নিদৰ্শন)ৰ অন্তৰ্ভুক্ত। যিবিলাক এই যুগত দেখিবলৈ পোৱা গৈ আছে। আমাৰ

এই জমাত চাহাবা সকলৰ সমপৰ্যায়ৰ। যেনেকৈ চাহাবা সকলে মুজিজা (অলৌকিক নিদৰ্শন) আৰু বহুতো নিদৰ্শন অৱলোকন কৰিছে তেনেকৈ এওঁলোকেও দেখিবলৈ পাইছে। এওঁলোকেও প্ৰাথমিক যুগৰ চাহাবা সকলৰ দৰেই ঠাট্টা বিদ্ৰূপ, গালি শপনি,আৰু বিভিন্ন ধৰণৰ মানসিক দুঃখ যন্ত্ৰণা সহ্য কৰি আছে।

ভাল বুলিবলৈ এওঁলোকৰ এয়া যে নমাজৰ  মাজত কান্দি কান্দি চকুলোৰে ছিজদাস্থান ভিজাই পেলায়, সঁচা সপোন আৰু ঐশ্বৰিক ইলহাম প্ৰাপ্ত হয় আৰু নিজে পৰিশ্ৰম কৰি উপাৰ্জন কৰা ধন খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে চাহাবা সকলৰ দৰে খৰচ কৰে। মুঠতে এই জমাতৰ মাজত সেই সকলোবোৰ চিহ্ন বিদ্যমান আছে যিবোৰ آخَرِينَ مِنْهُمْ শব্দৰে বুজোৱা হৈছে।

এই যুগত খোদা তা'লা সিদ্ধান্ত লৈছে যে বিভিন্ন ফিৰকা (দল) সমূহৰ এটা সম্প্ৰদায়ত অন্তৰ্ভুক্ত কৰি দিয়ে আৰু ধৰ্মীয় বিবাদৰ নিস্পত্তি কৰি এক ধৰ্মত সকলোকে জমা কৰে। এই শেষ যুগৰ বিষয়ে কোৰ-আন কৰিমত কেইবাটাও চিহ্ন লিখা আছে,যেনে পানীৰ খাল কাটি উলিওৱা,ভু-বিদ্যা আৰু কয়লা খনি আৱিষ্কাৰ হোৱা, উট বিলাক পৰিত্যাক্ত (বেকাৰ) হৈ যোৱা, কিতাপ ছপোৱাৰ কাম অধিক হোৱা, যোগাযোগ ব্যৱস্থা সহজ হৈ পৰা,চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ লগা, প্লেগৰ আৱিৰ্ভাব হোৱা ইত্যাদি।বিবেকবান সকলৰ বাবে এয়া স্পষ্ট আৰু উজ্জ্বল প্ৰমাণ যে খোদা তা'লা মোক এনেকুৱা সময়তেই প্ৰেৰণ কৰিছে যে যেতিয়া কোৰ-আন কৰিমৰ লিখিত সকলো চিহ্ন মোৰ প্ৰকাশৰ সপক্ষে পূৰ্ণতা লাভ কৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ দাবী সম্পৰ্কে কৈছে যে মই সেই জন হওঁ যিজনে সময় মতে আগমন কৰিছে। ভূমণ্ডলত এনে কোনোবাই আছেনে যে নিদৰ্শন প্ৰদৰ্শনৰ ক্ষেত্ৰত মোৰ লগত প্ৰতিদ্বন্দ্বীতা কৰি জয় লাভ কৰিব পাৰে। মোক সেইজনা খোদাৰ শপত যাৰ হাতত মোৰ প্ৰাণ যে এতিয়ালৈকে দুই লাখতকৈ অধিক নিদৰ্শন মোৰ হাতত প্ৰকাশ পাইছে আৰু দহ হেজাৰৰ ওচৰা-ওচৰি লোকে পয়গম্বৰ (ছাঃ)ক সপোন যোগেৰে মোৰ সত্যায়ন কৰাটো দেখিবলৈ পাইছে।

সঁচা কথা হ'ল এয়া যে মছীহ মাওউদ (আঃ)ৰ কাম হ'ল এয়া যে সি কাজিয়া বিবাদৰ প্ৰচলন বন্ধ কৰিব আৰু কলম,দোৱা আদিলৈ মনোযোগ দি ইছলামৰ মান উচ্চ কৰিব। পৰিতাপৰ বিষয় হ'ল এয়া যে মানুহে এই বিষয়টো বুজি নাপায় আৰু যিমান মনোযোগ  জগতৰ ফালে আছে ধৰ্মৰ ফালে সিমান নাই। জগতৰ অপৱিত্ৰ মোহত আৱদ্ধ হৈ এয়া কেনেকৈ আশা কৰিব পাৰিব যে সিহঁতৰ ওপৰত কোৰ-আন কৰিমৰ ৰহস্য উন্মোচন হওঁক। মোৰ আগমনৰ প্ৰয়োজন আৰু উদ্দেশ্য হ'ল কেৱল ইছলামৰ সংস্কাৰ কৰা আৰু পৃষ্ঠপোষকতা কৰা। আঁ-হজৰত (ছাঃ)ৰ ওপৰতে চৰিয়ত আৰু নবুয়তৰ অন্ত পৰিছে কিন্তু আঁ-হজৰত (ছাঃ)ৰ বৰকত আৰু কল্যাণ আৰু কোৰ-আন চৰিফৰ শিক্ষা আৰু হিদায়তৰ ফল শেষ হোৱা নাই। মুছলমান সকলৰ পতন আৰু দুৰ্বলতাৰ সময়তেই খোদা তা'লাই মোক পঠিয়াইছে যাতে মই এই ইছলামৰ পৃষ্ঠপোষকতা আৰু অনুসৰণ কৰো।

বিৰুদ্ধবাদী সকলৰ অমানৱীয় সম্পৰ্কে ক'বলৈ গৈ তেখেত (আঃ)য়ে কৈছে যে মোৰ এই সম্পৰ্কে কোনো আফছোচ নাই যে মোৰ নাম দাজ্জাল আৰু কাজ্জাব বুলি ৰখা হয়, আৰু মোৰ ওপৰত নানা দোষ জাপি দিয়া হয়। এয়া নিশ্চয় জৰুৰী আছিল যে মোৰ লগতেও তেনে আচৰণেই প্ৰদৰ্শিত হ'ব যেনেকৈ পূৰ্বৰ সাধু পুৰুষ সকলৰ লগত আচৰণ কৰা হৈছিল। মই দেখোন সেইবোৰ বিপদ-আপদ আৰু দুঃখ কষ্টকৰ কিঞ্চিতও ভোগ কৰা নাই, যিবোৰ মোৰ ছৈয়দে মাওলা (ছাঃ)ৰ সন্মুখত উপস্থিত হৈছিল।

মই সম্পূৰ্ণ ৰূপে সেই পদ্ধতি সমূহ আগবঢ়াইছো,যিয়ে ইছলামক কৃতকাৰ্য আৰু বেলেগ ধৰ্মৰ ওপৰত জয়ী

কৰিব। যদি তোমালোকে মোক খোদা তা'লাৰ শপত লোৱা আৰু সেই নিদৰ্শনবোৰ যিবোৰ আল্লাহ্ তা'লা মোৰ সহায়ৰ উদ্দেশ্যে প্ৰকাশ কৰিছে দেখিও মিছলীয়া আৰু ঠগ বুলি কোৱা তেন্তে মই তোমালোকক খোদা তা'লাৰ শপত দিছো যে এনেকুৱা এজন প্ৰৱঞ্চকৰ দৃষ্টান্ত আগবঢ়োৱা যে যাক খোদা তা'লাই সহায়,সহযোগীতা আগবঢ়াইছে। মই খোদা তা'লাৰ শপত লৈ কৈছো যে মই সত্যবাদী। আল্লাহ্ তা'লা প্ৰত্যেক গোচৰ আৰু বিপদত মোক সহায় কৰে আৰু সি লাখ লাখ মানৱৰ হৃদয়ত মোৰ প্ৰতি ভালপোৱা জগাই তুলিছে।

মুছলমান সকলৰ বাবে উচিত যে যি পোহৰ আৰু কল্যাণ বৰ্তমানে আচমানৰ পৰা অৱতৰণ কৰি আছে,এওঁলোকে তাৰ আদৰণি জনাওঁক আৰু আল্লাহ্ তা'লাৰ শলাগ লওঁক যে সময়মতে তেওঁলোকক সহায় কৰা হৈছে। মই বৰ বলেৰে আৰু বিশ্বাসেৰে আৰু প্ৰজ্ঞাপূৰ্ণ বিবেচনাৰে কৈছো যে আল্লাহ্ তা'লা সিদ্ধান্ত লৈছে যে সি বেলেগ ধৰ্ম বিলাকৰ পতন ঘটাই ইছলামক বিজয় আৰু শক্তি প্ৰদান কৰিব।

যদি মই আঁ-হজৰত (ছাঃ)ৰ উম্মত (অনুসাৰী) নহ'লহেঁতেন আৰু যদি তেখেত (ছাঃ)ৰ আনুগত্য নকৰিলোঁহেঁতেন তেন্তে জগতৰ সকলো পাহাৰৰ সমান মোৰ আমল হলেও মই কেতিয়াও খোদা তা'লাৰ কথোপকথন (মুকালমা মুখাতিবা) লাভ কৰাৰ সুযোগ নাপালোহেঁতেন। কাৰণ মহম্মদী নবুয়তৰ বাহিৰে সকলো নবুয়ত বন্ধ হৈ গৈছে। সেই কাম যাৰ বাবে খোদা তা'লা মোক আদিষ্ট কৰিছে,সেয়া হ'ল এয়া যে খোদা আৰু তাৰ সৃষ্টি জীৱৰ সম্পৰ্কৰ মাজত যি পঙ্কিলতা সোমাই পৰিছে,সেয়া দূৰীভূত কৰি প্ৰেম আৰু নিষ্ঠাতাৰ এক সুন্দৰ সম্পৰ্ক আকৌ প্ৰতিষ্ঠা কৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে খোদা তা'লা কৰক যে বিশ্ববাসীয়ে এনেকি বিশেষকৈ মুছলমানসকলে এই গূঢ়াৰ্থ আৰু তেখেত (আঃ)ৰ দাবী বুজি পাওঁক আৰু অনতিপলমে মছীহ ও  মাহদীৰ বয়াতৰ অন্তৰ্ভুক্ত হওঁক।

খোতবা জুমাৰ শেষত হুজুৰ (আইঃ)য়ে পাকিস্তান আৰু আলজেৰিয়াৰ আহমদী সকলৰ বাবে দোৱাৰ আবেদন জনাই কয় যে পাকিস্তানত দৈনিক কোনো নহয় কোনো এটা দুৰ্ঘটনা সংগঠিত হৈ থাকে। এনেদৰে আলজেৰিয়াতও শাসন বিভাগৰ কিছুমান নেতৃবৰ্গৰ মনোভাৱ সজ বুলি অনুমান হোৱা নাই। আল্লাহ্ তা'লা পৃথিৱীৰ সকলো দেশতেই প্ৰত্যেক আহমদীক নিজৰ ৰক্ষণা-বেক্ষণৰ আৱেষ্টনীত ৰাখক। আহমদী সকলে মনোযোগ দিয়া উচিত যে তেওঁলোকে যেন আল্লাহ্ তা'লাৰ সমীপত আগতকৈ বেছি বেছি নতশীৰ হয় আৰু হকুকুল ইবাদ (ভৃত্যসকলৰ অধিকাৰ) আদায় কৰোঁতা হয়। আল্লাহ্ তা'লা আমাক ইয়াৰ বাবে সৌভাগ্য দান কৰক। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لاَّ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَاللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844